অধ্যায় ৮ ঃ উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ নৃগোষ্ঠীবাদ

৮.৩.১ নৃগোষ্ঠীয় গোট আৰু নৃগোষ্ঠীবাদ

৮.৩.২ নৃগোষ্ঠীয় গোটৰ অর্থ আৰু বৈশিষ্ট্য

৮.৩.৩ নৃগোষ্ঠীবাদ অধ্যয়নৰ পন্থা ঃ সামাজিক নির্মাণৰূপে নৃগোষ্ঠীবাদ

৮.৩.৪ নৃগোষ্ঠীয় পৰিচয়

৮.৪ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ বাসিন্দাৰ মাজৰ আন্তঃ সাম্প্রদায়িক সম্পর্ক

৮.৪.১ প্রাক্ বৃটিছ যুগ

৮.৪.১.১ জনজাতীয় আৰু বৈদেশিক সম্পর্ক

৮.৪.২ বৃটিছ যুগ

৮.৪.২.১ বহিৰাগত সম্প্রদায়ৰ সৈতে সম্পর্ক

৮.৪.২.২ নগা আৰু কুকিৰ মাজৰ সম্পর্ক

৮.৪.৩ উত্তৰ-ঔপনিৱেশিক যুগ

৮.৪.৩.১ নগা আৰু কুকিৰ মাজৰ সম্পর্ক

৮.৫ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলবাসীৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্কবোৰৰ পৰিৱর্তনশীল প্রকৃতি

৮.৬ উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সংঘাত

৮.৬.১ চৰকাৰৰ আঁচনিসমূহ

৮.৬.২ উল্লেখযোগ্য বৈদেশিক নীতি

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.১০ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নৃগোষ্ঠীবাদৰ অর্থ আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- উত্তৰ-পূব ভাৰতৰ আন্তঃসাম্প্রদায়িক সম্পর্কবোৰৰ প্রকৃতিৰ উমান পাব
- উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় গোটবোৰৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্কৰ

পৰিৱৰ্তনশীল প্ৰকৃতিৰ আঁৰৰ কাৰণবোৰ বুজি পাব

- উত্তৰ-পূব ভাৰতত চলা নৃগোষ্ঠীয় সংঘাতৰ মূল কাৰণবোৰ জানিব পাৰিব।

৮.২ পৰিচয়

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল হ'ল বহুভাষিক, বহুসাংস্কৃতিক, বহুনৃগোষ্ঠীয় আৰু বহুধৰ্মীয় গোটেৰে ভৰা সবাতোকৈ জটিল অঞ্চলবোৰৰ এটা। একে সময়তে এই অঞ্চলটো হ'ল মনোমোহা অৰণ্য, গছ-গছনি, ফলমূলৰ বাগান আৰু নিৰ্জনতাৰে ভৰা অপৰূপ সৌন্দৰ্যৰ ভাণ্ডাৰ। উত্তৰ-পূব ভাৰত হ'ল এক প্ৰচুৰ সমৃদ্ধিশালী প্ৰাণৰন্ত অঞ্চল। উপ-হিমালয় মণ্ডলৰ পূব দিশত এই অঞ্চলটো অৱস্থিত। বিশাল পৰ্বতীয়া অঞ্চল, মধ্যমীয়া ওখ পাহাৰ আৰু নদী উপত্যকাবোৰে অঞ্চলটোক এক বৈচিত্ৰ্যময় ৰূপ দিছে। এই মূহুৰ্তত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু চিকিম হ'ল উত্তৰ-পূব ভাৰতৰ অন্তৰ্গত ৰাজ্য। পাঁচখন দেশে আবৰা এই আঠখন ৰাজ্য সম্বলিত অঞ্চলটোক পশ্চিম বংগৰ উত্তৰ দিশে থকা ৩০ কিলোমিটাৰ দৈর্ঘ্যৰ ঠেক স্থলপথ এটাই ভাৰতৰ বাকী অংশৰ সৈতে সংলগ্ন কৰি ৰাখিছে। এই অঞ্চলটোত বসবাস কৰি থকা বিভিন্ন নৃগোষ্ঠীয় সম্প্ৰদায়ে ভাষিক- সাংস্কৃতিক পৰিচয় আধাৰত পৃথক ৰাজ্য গঠনৰ দাবী জনাই আহিছে নাইবা সংশ্লিষ্ট পৰিচয়ক সুৰক্ষা প্ৰদান কৰাৰ অৰ্থে বিশেষ সাংবিধানিক সুবিধাৰ দাবী জনাই আহিছে।

আপোনাৰ নৃগোষ্ঠীয় পৰিচয় কি? বৰ্তমান এই প্ৰশ্নটো বিশ্বৰ বিভিন্ন অংশৰ বাসিন্দাৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ হৈ উঠিছে। বহুতো দেশৰ দৰে আমেৰিকা যুক্তৰাষ্ট্ৰয়ো এই প্ৰশ্নটোৰ গুৰুত্ব অনুধাৱন কৰি ইয়াক ৰাষ্ট্ৰীয় লোকপিয়ল তথ্যৰ অন্তৰ্গত কৰিছে। আমি সকলোৱে এই প্ৰশ্নটোৰ বিষয়ে জানো। কিন্তু প্ৰশ্নটোৰ সাৰমৰ্ম বহুতৰে অজ্ঞাত। এটা নৃগোষ্ঠীয় গোট হ'ল এনে এক জনসমষ্টি যিটোৱে আনুবংশীয় আৰু সাংস্কৃতিক ঐতিহ্য ভাগ-বাটোৱাৰা কৰে। এই বৈশিষ্ট্যবোৰে তেওঁলোকক অন্য জনসমষ্টিৰ পৰা পৃথক কৰে। কথাটো যদি বুজিবলৈ অস্পষ্ট যেন বোধ কৰিছে। আপোনাৰ অনুভৱ ভুল হোৱা নাই। নৃগোষ্ঠীবাদ আমাৰ সকলোৰে বাবে গুৰুত্বপূৰ্ণ। কিন্তু নৃগোষ্ঠীবাদৰ কোনো সৰল সংজ্ঞা নাই।

৮.৩ নৃগোষ্ঠীয় গোট আৰু নৃগোষ্ঠীবাদ

৮.৩.১ নৃগোষ্ঠীয় গোটৰ অৰ্থ আৰু বৈশিষ্ট্য

একে ধৰণৰ তলত উল্লেখ কৰা অথবা আটাইবোৰ বৈশিষ্ট্য মানি চলা মানৰ গোটবোৰকে নৃগোষ্ঠীয় গোট বোলে।

- এক উমৈহতীয়া অধিকাৰবোধ ভাগ-বাটোৱাৰা কৰে
- এক উমৈহতীয়া আৰু সুকীয়া ইতিহাস আৰু ভাগ্যৰ অধিকাৰী বুলি দাবী কৰে
- সামূহিক সাংস্কৃতিক স্বকীয়তাৰ এটা অথবা একাধিক মাত্ৰাৰ গৰাকী হয়।

• এক ধৰণৰ বিশেষ ভ্ৰাতৃত্ববোধ অনুভৱ কৰে।

অর্থাৎ, 'ভাগ-বাটোৱাৰা কৰা প্ৰমূল্য সমষ্টি, একে ধৰণৰ জীৱন শৈলী, পৰিচয়সূচক প্ৰতীক আৰু সগোত্ৰৰ সচেতনতা থকা যিকোনো বংশানুক্ৰমিক মানৰ গোটকে নৃগোষ্ঠীয় গোট বোলে।

নৃগোষ্ঠী বুজোৱা ইংৰাজী শব্দ 'Ethnic'- এ ১৯৬০ আৰু ১৯৭০ ৰ দশকত জনপ্ৰিয়তা অর্জন কৰে। কাৰণ, এই সময়ছোৱাত পশ্চিম ইউৰোপত চলা আঞ্চলিকতাবাদী আন্দোলন (Regionalism Movement) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত চলা কৃষ্ণাংগ আন্দোলন (Black Movement) এ একোটা শক্তিশালী ৰূপ ধাৰণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত আধিপত্য বিস্তাৰ কৰি থকা সংখ্যাগৰিষ্ঠ শ্ৰেণীটোতকৈ সাংস্কৃতিকভাৱে পৃথক গোটবোৰৰ ক্ৰমবৰ্ধিত দাবীৰ পৰিপ্ৰেক্ষিতত এই গোটবোৰক এক বিশ্লেষণাত্মক শিতানত ৰখাৰ উদ্দেশ্যেৰে 'নৃগোষ্ঠীবাদ' অভিধাটোৰ প্ৰচলন ঘটিছিল।

নৃগোষ্ঠী বুজোৱা ইংৰাজী অভিধা 'ethnic' ৰ ব্যৱহাৰ মধযুগৰ পৰাই আহিছে। ধর্মগ্ৰন্থ বাইবেলৰ 'নিউ টেষ্টামেণ্ট' খণ্ডত ইয়াক 'Gentile' শব্দটোৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা হৈছিল 'জেণ্টাইল' শব্দটোৰে খৃষ্টান ধর্মত দীক্ষা নোলোৱা আৰু অনা-ইহুদী জড়োপাসক সকলক বুজোৱা হৈছিল। বিভিন্ন পণ্ডিতে এই অভিধাটো 'একে ধৰণৰ বৈশিষ্ট্য ভাগ-বাটোৱাৰা কৰা মানৰ গোট' বুজাবলৈ ব্যৱহাৰ কৰিছিল। কিন্তু আধুনিক সময়ত অভিধাটোৰে বিভিন্ন ধৰণৰ অর্থ বুজোৱা হয়। কিছুমানৰ মতে ই অপ্ৰবাসী সম্প্ৰদায়ৰ কথা বুজায়। এক বৃহত্তৰ সামাজিক সংৰচনাৰ ভিতৰত থকা সংখ্যালঘূ সম্প্ৰদায়বোৰকো এই অভিধাটোৰে সামৰি লোৱা হ'ব পাৰে। আন এচামৰ মতে আকৌ এটা উমৈহতীয়া সংস্কৃতি আৰু ইতিহাস থকা সকলো সম্প্ৰদায়কে নৃগোষ্ঠী অভিধাটোৰে সামৰি লোৱা হয়। এভাৰেট চি. হুগৰ মতে, "আমি সকলো নৃগোষ্ঠী"।

নৃগোষ্ঠী বুজোৱা ইংৰাজী শব্দ 'ethnic' ৰ মূল হ'ল গ্ৰীক শব্দ 'ethnos'। ধ্ৰুপদী গ্ৰীক সাহিত্যত 'ethnos' শব্দটোৰে জন্তু আৰু যোদ্ধাৰ অপৃথকীকৃত দলবোৰৰ কথা বুজাইছিল। দার্শনিক এৰিষ্ট'টলে আকৌ বিদেশী আৰু বর্বৰ জাতিবোৰক বুজাবলৈ শব্দটো ব্যৱহাৰ কৰিছিল। ধ্ৰুপদী গ্ৰীক ৰচনাবোৰত এই শব্দটোৰে বিশেষভাৱে 'অনা-সংগঠিত, জনজাতি আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোক' সকলক বুজোৱা হৈছিল যদিও মধ্যযুগত ইয়াক বিশেষভাৱে অনা-খৃষ্টান আৰু অনা-ইহুদী লোকক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ইয়াক 'ধর্মীয় অন্যতা' (religious otherness) বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু অর্থ একে থাকিলেও ইয়াৰ প্ৰয়োগে সলনি হৈছিল। ওটোমান সাম্ৰাজ্যৰ অস্তিত্ব থকাৰ সময়ত গোড়া খৃষ্টান ধর্মটোৱে আধিপত্য বিস্তাৰ কৰিছিল। সেই সময়ছোৱাত গ্ৰীকসকলে নিজকে বুজাবলৈ 'ethnos' শব্দটো ব্যৱহাৰ কৰিছিল। পৰৱর্তী সময়ত, আধুনিক জাতীয়তাবাদৰ উত্থান ঘটাৰ সময়ত ঊনবিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত গ্ৰীকসকলে 'ethnos' শব্দটোৰে এটা 'নিগূঢ়ভাৱে আত্মজ্ঞ, স্ব-সংজ্ঞবোধক সত্তা' বুজাবলৈ ব্যৱহাৰ কৰিছিল।

'ethnos'ৰ ইংৰাজী অপভ্রংশ 'ethnic'ৰ ব্যৱহাৰো সমকালীনভাৱে সলনি হৈ আহিছে। বিগত শতিকাটোত সমাজ বিজ্ঞানে জনপ্রিয়তা অর্জন কৰাৰ লগে লগে এই শব্দটোৰ এক বহল প্রয়োগ ঘটিল। বর্তমান সদৃশ সংস্কৃতি আৰু ইতিহাসৰ গৰাকী সকলোবোৰ মানৱ গোষ্ঠীক বুজাবলৈ 'ethnic' শব্দটো ব্যৱহাৰ কৰা হয়।

1996 চনত হাট্চ্ছিচন আৰু স্মিথৰ দ্বাৰা ৰাচিত গ্রন্থ '*Ethnicity*' ত এটা নৃগোষ্ঠীয় গোটবোৰৰ চাৰিটা প্রধান বৈশিষ্ট্য উল্লেখ কৰিছে। নৃগোষ্ঠী এটাত এই ছয়োটা বৈশিষ্ট্য অথবা বিভিন্ন মাত্রাত কেইটামান বৈশিষ্ট্য থাকিব পাৰে।

- **এটা উমৈহতীয়া নাম।** সম্প্রদায়ৰ 'সত্তা'টো চিনাক্ত আৰু প্রকাশ কৰিলৈ এই নাম ব্যৱহাৰ কৰা হয়।
- **উমৈহতীয়া পূর্বপুৰুষ সম্পর্কীয় জনশ্রুতি।** সত্যতাতকৈ এই ক্ষেত্রত জনশ্রুতিৰ গুৰুত্ব অধিক। জনশ্রুতি ধাৰণাৰ ভিত্তিত প্রতিষ্ঠিত। একে সময় আৰু একে স্থান উমৈহতীয়া উৎপত্তি উৎস বুলি গ্রহম নৃগোষ্ঠী গোটৰ মাজত এক প্রকাৰৰ কল্পনাশীল স্বজনতাবোধ গঢ়ি উঠে ('Ethnicie' বোলা ফৰাছী অভিধাটোৰ সমার্থক হ'ল 'নৃগোষ্ঠীয় গোট দল')।
- **ভাগ-বাটোৱাৰ কৰা একে ধৰণৰ ঐতিহাসিক স্মৃতি।** নৃগোষ্ঠীবোৰে এটা উমৈহতীয়া অতীতৰ সৈতে জড়িত স্মৃতি ভাগ- বাটোৱাৰা কৰে। তেওঁলোকৰ আদৰণীয় বীৰ-নায়ক, ঘটনা আৰু সেইবোৰৰ পুনঃস্মৰণ পদ্ধতিৰ মাজত মিল দেখা যায়।
- **উমৈহতীয়া সংস্কৃতিৰ এক অথবা একাধিক উপাদানৰ মিল।** এইবোৰ সুনির্দিষ্ট ৰূপত চিনাক্ত কৰিব নোৱাৰি যদিও সাধাৰণভাৱে ধর্ম, প্রথা অথবা ভাষাৰ ক্ষেত্রত এই মিল দেখা যায়।
- **এক উমৈহতীয়া গৃহভূমিৰ সৈতে থকা সম্পর্ক।** নৃগোষ্ঠীবোৰে এনে গৃহভূমি কায়িকভাৱে দখল কৰি নাথাকিবও পাৰে। কিন্তু তেওঁলোকে সিঁচৰতি হৈ থকা অন্য নৃগোষ্ঠীয় লোকৰ সৈতে ৰখাৰ দৰে পূর্বপুৰুষে বাস কৰা স্থান এডোখৰৰ সৈতে এক প্রতীকি টান অনুভৱ কৰে।
- **ভাতৃত্ববোধ।** সকলোৰে সৈতে নহ'লেও নৃগোষ্ঠীয় জনসমষ্টিৰ কিছুমান শাখাৰ সৈতে এনে ভ্রাতৃত্ববোধ বর্তি থাকে।

কিছুমান গৱেষক-পণ্ডিতে 'জাতি' (Race)ৰ বৈষম্যমূলক বৈশিষ্ট্য বুজাবলৈ 'নৃগোষ্ঠীয় গোট' অভিধাটো ব্যৱহাৰ কৰিছিল। জাতিক প্রায়েই জৈৱিক দিশেৰে বিশ্লেষণ কৰি চোৱা হয়। এটা নৃগোষ্ঠীয় সম্প্রদায়ৰ সদস্যসকলক জাতিগত বৈশিষ্ট্যৰ দিশেৰে চিনাক্ত কৰাৰ উপৰি ধর্ম, বৃত্তি, ভাষা অথবা ৰাজনীতি আদিৰ দৰে অন্য উমৈহতীয়াভাৱে অনুসৰণ কৰা সাংস্কৃতিক বৈশিষ্ট্যৰ আধাৰতো পৃথক কৰিব পাৰি। নৃগোষ্ঠীয় সম্প্রদায়বোৰক সামাজিক শ্রেণীৰ পৰাও পৃথক কৰি চোৱা উচিত। এইবোৰ বৈশিষ্ট্যৰ প্রতি লক্ষ্য ৰাখি ক'ব পৰা যায় যে নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ সংৰচনা পৰিৱর্তনশীল

আৰু ইয়াৰ সংজ্ঞা বিভিন্ন পৰিস্থিতিত সলনি হ'ব পাৰে। জনসমষ্টিবোৰে বিভিন্ন ৰাষ্ট্ৰলৈ অহা-যোৱা কৰিবলৈ লোৱাৰে পৰা অবিৰতভাৱে নতুন নতুন নৃগোষ্ঠীয় সম্প্ৰদায়ৰ জন্ম হ'বলৈ ধৰিছে। উদাহৰণস্বৰূপে বৃটেইনত বসবাস কৰিবলৈ লোৱা ভাৰতীয়সকলৰ কথাই চোৱা যাওক। বৰ্ণ আৰু ভাষাৰ ফালৰ পৰা ভাৰতত তেওঁলোক বিভিন্ন গোটৰ সদস্য হ'লেও বৃটেইনত তেওঁলোকে এটা ভাৰতীয় নৃগোষ্ঠী সৃষ্টি কৰিছে। সামাজিক বৈষম্যৰ আধাৰ হিচাপে পৰিগণিত হ'লে নৃগোষ্ঠীবাদৰ ধাৰণাটোৰ আলোচনাই বিশেষ গুৰুত্ব লাভ কৰে।

৮.৩.২ নৃগোষ্ঠীবাদৰ অর্থ আৰু বৈশিষ্ট্য

- 1953 চনত পোন প্ৰথমবাৰৰ বাবে ইংৰাজী ভাষাত নৃগোষ্ঠীবাদ বুজোৱা 'Ethnicity' অভিধাটোৰ পৰা বুৎপন্ন হোৱা শব্দ। ৰাষ্ট্ৰৰ আধিপত্য বিস্তাৰকাৰী সংখ্যাগৰিষ্ঠ জনসমষ্টিতকৈ সাংস্কৃতিকভাৱে পৃথক দল /গোটবোৰৰ ক্ৰমে বৃদ্ধি পোৱা দাবীৰ পৰিপ্ৰেক্ষিতত এটা বিশ্লেষণাত্মক জনসমষ্টি শাখা বুজাবলৈ 'Ethnicity' অভিধাটোৰ ব্যৱহাৰ আৰম্ভ হৈছিল।

  অভিধাটোৰ সাম্প্ৰতিক প্ৰয়োগলৈ লক্ষ্য ৰাখি ক'ব পাৰি যে ভাৰতত ১৯৫০ আৰু ১৯৬০ বিংশ শতিকাৰ পঞ্চম ষষ্ঠ দশকত দেখা দিয়া পৰিঘটনা কেইটামান 'নৃগোষ্ঠীয়' শিতানৰ অন্তৰ্ভুক্ত আছিল। ইয়াৰ সবাতোকৈ স্পষ্ট উদাহৰণটো হ'ল সেই সময়ছোৱাত কেইবাখনো ৰাজ্যত চলা ভাষিক আন্দোলন। উৰ্মিলা ফাড্‌নিচৰ মতে ভাষিক নৃগোষ্ঠীবাদৰ মূলতঃ তিনিটা কথাক কেন্দ্ৰ কৰি উত্থান ঘটিছিল। কথাকেইটা হ'ল-

- ৰাজ্যৰ চাৰিসীমা পুনৰ বিতৰণৰ আধাৰ ভাষা হোৱা উচিত
- চৰকাৰী ভাষা অথবা ৰাজ্যৰ কাম-কাজ তথা প্ৰশাসন আগবঢ়াই নিয়া ভাষা কি হোৱা উচিত তাক লৈ দেখা দিয়া সমস্যা
- শিক্ষা নিৰ্দেশনা প্ৰদানৰ মাধ্যম ৰূপে কি ভাষা ব্যৱহৃত হ'ব তাৰ সমস্যা নৃগোষ্ঠীবাদ এটা জটিল পৰিঘটনা। তাত্ত্বিকসকলৰ কাম হ'ল এই পৰিঘটনাৰ অপৰিহাৰ্য মাত্ৰা বুলি ক'ব পৰা কথাবোৰৰ ৰূপৰেখা যুগুত কৰা আৰু সেইবোৰৰ সম্ভাব্য তাৰতম্যৰ দিশ আঙুলিয়াই দেখুওৱা।

  নৃগোষ্ঠীবাদৰ অর্থ আন কেইবাটাও ধাৰণাই বহন কৰা অর্থৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ নৃগোষ্ঠীয় দল আৰু নৃগোষ্ঠীয় পৰিচয়ৰ ওপৰত নৃগোষ্ঠীবাদৰ অর্থ নিৰ্ভৰশীল। অর্থাৎ, নৃগোষ্ঠীবাদ হ'ল এক সামূহিক পৰিঘটনা।

  নৃগোষ্ঠীবাদ সামাজিক ভাৱে নিৰ্মিত হয়। বিষয়নিষ্ঠভাৱে ইয়াৰ সংজ্ঞ দাঙি ধৰাৰ সময়ত ইয়াক এটা দলৰ বংশ (ancestry), সাংস্কৃতিক ৰীতি-নীতি (Cultural Customs), ভাষা, ধর্ম, জাতীয় পৰিচয়, স্বজনৰ নেটৰ'ৰ্ক (Kinship network)

আৰু শাৰীৰিক অৱয়বৰ সৈতে জড়িত দিশবোৰৰ এক সংমিশ্রণ বুলি কোৱা হয়। নৃগোষ্ঠীবাদৰ এই অস্থিৰ প্রকৃতিয়ে ইয়াক সামাজিক, চিকিৎসা বিজ্ঞানভিত্তিক আৰু জৈৱবৈজ্ঞানিক গৱেষণাৰ বাবে এটা সুনির্দিষ্ট ধাৰণা আৰু মাপন ব্যৱস্থাৰ মাজত সীমাবদ্ধ কৰিব নোৱাৰা সবাতোকৈ সুন্দৰ চলকত পৰিণত কৰিছে।

৮.৩.৩ নৃগোষ্ঠীবাদ অধ্যয়নৰ পন্থা

এক পৰিঘটনা ৰূপে 'নৃগোষ্ঠীবাদ' হ'ল বৈচিত্র্যময় আৰু জটিল। বিভিন্ন পণ্ডিতে এই পৰিঘটনাৰ প্রক্রিয়াটো বুজিবলৈ বিভিন্ন পন্থা গ্রহণ কৰি আহিছে। ইয়াৰ মাজতে নৃগোষ্ঠীবাদ অধ্যয়নৰ দুটা প্রধান পন্থাৰ উত্থান ঘটিছে। প্রথম পন্থাটোক 'মৌলিকতাবাদী পন্থা' (Primordialist Approach), দ্বিতীয়টোক 'কার্যকাৰণিকতাবাদী পন্থা' (Instrumentalist Approach) আৰু তৃতীয়টোক 'ৰচনাত্মকতাবাদী পন্থা' (Constructivist Approach) বোলে।

মৌলিকতাবাদী পন্থাৰ সমর্থক সবাতোকৈ গুৰুত্বপূর্ণ পণ্ডিতগৰাকী হ'ল ক্লিফ'ৰ্ড গীৰ্টৰ্ (Clifford Geertz) তেওঁৰ যুক্তি অনুসৰি এটা নৃগোষ্ঠীয় সম্প্রদায়ত নিহিত হৈ থকা আৰু কেতিয়াবা অতি প্রভাৱশালীভাৱে প্রকট হোৱা শক্তি হ'ল তেজৰ সম্পর্ক, ধর্মীয় সাদৃশ্য, ভাষা আৰু পৰম্পৰাৰ প্রতি থকা টান। অংশগ্রহণকাৰীসকলে এই বলক বাহ্যিক, বলপূর্বকভাৱে জাপি দিয়া আৰু 'প্রদত্ত' (given) বুলি অনুমান কৰি লয়। তেওঁৰ মতে এইবোৰ মৌলিক টান হোৱা উচিত। মৌলিকতাবাদ হ'ল এনে এক গুণ যিটোক মানুহে এনে ধৰণৰ বান্ধোনৰ সৈতে আৰোপিত কৰিব পাৰে। গীৰ্টৰ্ঝে কৈছিল যে এখন ফলপ্রসূ, গতিশীল আৰু আধুনিক ৰাষ্ট্র গঠনৰ তাড়নাই ব্যক্তিগত পৰিচয়ৰ দৰে অন্য বৃহৎ তাড়নাৰ সৈতে আন্তঃক্রিয়া সম্পন্ন কৰে। এই ব্যক্তিগত পৰিচয় 'মৌলিক বান্ধোন'ৰ ভিত্তিত গঢ় লৈ উঠে। অৱশ্যে নৃগোষ্ঠীয় চালন শক্তিবোৰৰ বিশ্লেষণ কৰিব পৰাকৈ ব্যাখ্যাকাৰী শক্তিৰ নাটনিৰ দোষত মৌলিকতাবাদী পন্থাটোক সমালোচনা কৰা হয়। তথাপিও, এই পন্থাটোৱে কোনো এটা নৃগোষ্ঠীয় দল গোটে পৰস্পৰৰ প্রতি অথবা সমূহটোৰ প্রতি প্রদর্শন কৰা টানৰ প্রকৃতি বুজাত সহায় কৰে।

আনহাতে, কার্যকাৰণিকাবাদীসকলে নৃগোষ্ঠীবাদক বিভিন্ন স্বার্থজড়িত আৰু প্রস্থিতিযুক্ত গোটৰ এক সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পদ বুলি অভিহিত কৰিছে। ইয়াৰে একাংশ পণ্ডিতে সম্পদৰ শ্রেষ্ঠাংশ সংৰচনা (elite composition)ৰ অধ্যয়নত মনোনিৱেশ কৰাৰ অন্তত এই পৰামর্শ আগবঢ়াইছে যে জনসাধাৰণৰ সমর্থন আদায় কৰিবলৈ আৰু ৰাজনৈতিক লক্ষ্যত উপনীত হ'বলৈ প্রতীক চিহ্নবোৰৰ হেৰফেৰকৰণ অতি গুৰুত্বপূর্ণ। আন একাংশ পণ্ডিতে কোনো এক প্রদত্ত পৰিস্থিতি মানুহে ব্যক্তিগতভাৱে যুক্তিসংগত বিকল্প উপায় বাছনিৰ দিশেৰে নিজৰ পাৰদর্শিতাৰ উৎকর্ষ সাধনৰ শ্রেষ্ঠ

কৌশলবোৰ অধ্যয়ন কৰিছিল।

'ৰচনাত্মকতাবাদী পন্থা'ই নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ ঐতিহাসিক চালন শক্তি আৰু পৰিৱর্তনশীলতাৰ অধ্যয়ন কৰে। এই পন্থাৰ সমর্থকসকলে নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ উত্থান আৰু ইয়াৰ কাৰকবোৰ অন্বেষণ তথা ব্যাখ্যা কৰাৰ চেষ্টা চলায়। এটা গোটৰ এক উমৈহতীয়া ইতিহাসৰ কেনেদৰে কোনো এটা বিশেষ পৃষ্ঠভূমিত উত্থান ঘটে আৰু এনে গোটৰ সদস্যসকলে কেনেদৰে কালক্রমত একেটা নৃগোষ্ঠীয় সম্প্রদায়ৰে সদস্য বুলি দাবী কৰে নাইবা অন্যই কেনেদৰে তেওঁলোকক এটা সুনির্দিষ্ট নৃগোষ্ঠীয় গোট বুলি স্বীকৃতি দিয়ে তাৰ ওপৰত ৰচনাত্মকতাবাদীসকলে আলোকপাত কৰে। ৰচনাত্মকতাবাদী দৃষ্টিভংগীয়ে মনোনিৱেশ কৰা দিশবোৰ হ'ল নৃগোষ্ঠীয় দল গোটৰ উত্থান, বিভাজন আৰু বিলুপ্তভৱনৰ প্রক্রিয়াত অৱিহণা যোগোৱা মানৱীয় সামূহিকতাবাদৰ সংযোজনকাৰী আৰু বিচ্ছিন্নতাবাদী প্রৱণতাসমূহ। এই পন্থা অনুসৰি এটা গাঁথনিমূলক আৰু গতিশীল পৃষ্ঠভূমিত মানৱীয় অভিকৰণবোৰে সামাজিক সংৰচনা নির্মাণ কৰে। এই পন্থাৰে কৰা বিশ্লেষণৰ কেন্দ্রীয় বিষয়বস্তুবোৰ হ'ল ক্ষমতাৰ ভূমিকা, চাৰিসীমা নির্ধাৰণ, নির্দিষ্ট নামকৰণ, নৃগোষ্ঠীয় বিশেষত্ববোৰ নির্ণয় কৰাৰ সময়ত অগ্রাধিকাৰ দিয়া 'পছন্দ' ইত্যাদি। নৃগোষ্ঠীয় সম্পর্ক আৰু নৃগোষ্ঠীয় প্রতিষ্ঠা ব্যাখ্যা কৰিবলৈ এই পন্থাটো বহুলভাৱে ব্যৱহাৰ কৰা হয়।

৮.৩.৪ নৃগোষ্ঠীয় পৰিচয়

বিভিন্ন দলৰ মাজত নৃগোষ্ঠীবাদী স্পৃহা বৃদ্ধি পোৱা কথাটোৱে তেওঁলোকৰ মনত এক সুকীয়া পৰিচয় গঢ়াৰ আকাংক্ষাৰ জন্ম দিছে। সাধাৰণ ভাষাত, কম জনসংখ্যাৰ নৃগোষ্ঠীয় দলবোৰে বৃহৎ দলবোৰৰ সৈতে সহঃ অস্তিত্ব বর্তাই ৰখাৰ প্রতিযোগিতাত লিপ্ত হ'বলগীয়া হোৱাটোত এনে দলবোৰ পৰিচয় সংকটত ভূগিছে। এই সংকটে তেওঁলোকক বিভিন্ন ধৰণৰ নৃগোষ্ঠীয় আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য কৰাইছে। তেওঁলোকে হয়তো স্ব-নিয়ন্ত্রণৰ সুবিধা বিচাৰিছে নাইবা বৃহত্তৰ মানৱ গোটবোৰৰ পৰা বিচ্ছিন্ন হৈ যাবলৈ বিচাৰিছে। ইয়াৰ আঁৰৰ অভিপ্রায় হ'ল তেওঁলোকৰ সুকীয়া পৰিচয় সংৰক্ষণ কৰিব পাৰে। বৃহত্তৰ মানৱ দলবোৰৰ হস্তক্ষেপ অবিহনে নিজৰ সমস্যাবোৰ নিজে সমাধান কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ Ethnicity নামৰ গ্রন্থখন কোনে ৰচনা কৰিছিল ?

৮.৪ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাসিন্দাসকলৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্ক

ভাৰত বহুতো নৃগোষ্ঠীয় দলৰ বাসভূমি। এই দলবোৰে বিভিন্ন ধর্ম উপাসনা কৰে, বেলেগ বেলেগ ভাষাত কথা কয়, বিভিন্ন ধৰণৰ খাদ্য খায়, পৰস্পৰৰ পৰা সুকীয়া ৰীতি-নীতি আৰু পৰম্পৰা মানি চলে। উত্তৰ-পূব ভাৰতে সদৌ ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়বোৰ অধিক বাৰে-ৰহণীয়া কৰি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। বৃটিছে অসমত পদার্পন কৰাৰ আগৰেপৰা উত্তৰ-পূব অঞ্চলৰ নৃগোষ্ঠীয় বাসিন্দাসকলে শান্তিপূর্ণভাৱে সহাৱস্থান কৰি আছিল আৰু কালক্রমত সম্প্রদায়বোৰৰ পৰস্পৰৰ মাজত লীনভৱন ঘটিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত কিন্তু এই নৃগোষ্ঠীয় দলবোৰে ভাৰত ৰাষ্ট্রৰ নীতিবোৰক সন্দেহৰ দৃষ্টিৰে চাবলৈ ধৰিছে। ইয়াৰ ফলস্বৰূপে ৰাষ্ট্র নির্মাণ প্রক্রিয়াটো ব্যাহত হৈছে। এনে বহু নৃগোষ্ঠী আছে যিবোৰে প্রায়েই নিজৰ পৰম্পৰাগত স্ব-শাসিত অনুষ্ঠানবোৰ বর্তাই ৰখাৰ স্বার্থত, ভাষা-সংস্কৃতি-ৰাজনৈতিক অনুষ্ঠান জীয়াই ৰখাৰ স্বার্থত আৰু অভ্যন্তৰীণ চাৰিসীমা নির্ধাৰণৰ দাবীত যুঁজি আহিছে। এইবোৰ উদ্দেশ্যত ফলৱতী হ'বলৈ এই দলবোৰে পৃথক ৰাজ্যৰ ৰূপত স্বায়ত্ব- শাসনৰ দাবী তুলিছে। ভাৰত ৰাষ্ট্রৰ সৈতে সংঘর্ষত লিপ্ত হোৱাৰ উপৰি এই নৃগোষ্ঠীয় দলবোৰে আনকি পৰস্পৰৰ প্রতিও হিংসাত্মক মনোভাৱ গঢ়ি তুলিছে।

৮.৪.১ প্রাক্ বৃটিছ যুগত অসম

সময় বাগৰি যোৱাৰ লগে লগে আহোমসকলে তেওঁলোকৰ জনজাতীয় দোৱান বাদ দি অসমীয়া ভাষা গ্রহণ কৰিছিল। তেওঁলোকৰ আদর্শকে অনুসৰণ কৰি ৰাভা আৰু কছাৰীকে ধৰি আন বহুকেইটা জনজাতিয়ে নিজৰ দোৱান বাদ দিছিল। লাহে লাহে আহোমসকল হিন্দু ধর্মৰ প্রতি আগ্রহী হ'ল আৰু ধর্মটোৱে তেওঁলোকক গভীৰভাৱে প্রভাৱিত কৰিলে। ১৩৯৭ চনত চুডাংফা অথবা বামুণী কোঁৱৰৰ শাসন কালত হিন্দুধর্মৰ প্রতিনিধি ব্রাহ্মণ সমাজ আৰু হিন্দু ধর্মই আহোম ৰাজপ্রাসাদত স্থান পালে। তেওঁ আহোম ৰাজসভাত ব্রাহ্মণ উপদেষ্টা নিয়োগ কৰিছিল। ইমানেই নহয়, তেওঁৰ 'ৰাজ-অভিষেক' অথবা 'শিঙৰীঘৰ উঠা' প্রক্রিয়াটোতো চুডাং ফাই আহোম ৰীতি-নীতিৰ লগতে ব্রাহ্মণ্য ৰীতি-নীতিও অনুসৰণ কৰিছিল।এই কথাটোৱে আহোমসকলক ব্রহ্মপুত্র উপত্যকাত তেওঁলোকৰ শাসনক বৈধ ৰূপ দিয়াত সহায় কৰিছিল। ইয়াৰ পাচত আহোম ৰাজ্যৰ চাৰিসীমাৰ ভিতৰত হিন্দু মন্দিৰ নির্মাণৰ কাম আৰম্ভ হৈছিল। আৰু এনেকৈয়ে হিন্দুত্বভৱন প্রক্রিয়াটোৱে দ্রুত ৰূপ ধাৰণ কৰিছিল। এই প্রক্রিয়াটোৰ সহায়ত আহোম শাসকসকলে ব্রহ্মপুত্র উপত্যকাৰ জনজাতি আৰু অজনজাতি সম্প্রদায়বোৰৰ মাজত সংহতি স্থাপন কৰিছিল। হিন্দুত্বভৱনৰ ফলত সৃষ্টি হোৱা আন এটা প্রক্রিয়া হ'ল অন্তর্ভুক্তকৰণ। ত্রয়োদশ শতিকাৰ আৰম্ভণিতে আহোম শাসনকালত অসমলৈ অহা মুছলমানসকল আৰু তাৰ পাচত বিভিন্ন কাৰণত অহা প্রব্রজনকাৰীসকলে অসমতে নিগাজীকৈ বসবাস কৰিবলৈ

ল'লে। বিভিন্ন উৎসৰ পৰা প্ৰব্ৰজন কৰা এই লোকসকলৰ এটা সম্প্ৰদায় হিচাপে উত্থান ঘটিছিল। 1532 চনত গৌড়ৰ ৰজাই অসম আক্ৰমণ কৰিছিল। সেই বছৰতে হাটবৰ ৰণ আৰু শিলঘাটৰ দুইমুনিশিলা ৰণত আহোমসকলে গৌড় বাহিনীক পৰাস্ত কৰিছিল আৰু তেওঁলোকৰ সেনাধিনায়ক তুৰ্বকৰ মৃত্যু হৈছিল। ৰণত আহোমসকলে 900 মুছলমান সৈনিকক গ্ৰেপ্তাৰ কৰিছিল। পাচত এই যুদ্ধবন্দীসকলে অসমীয়া হিন্দু ছোৱালীক বিয়া কৰাই অসমৰ বিভিন্ন স্থানত থিতাপি লৈছিল। এনেকৈয়ে তেওঁলোকে বৃহত্তৰ অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগত পৰিণত হৈছিল। কালক্ৰমত তেওঁলোক 'মৰিয়া' নামৰ এটা সুকীয়া সম্প্ৰদায়ৰ ৰূপ লৈছিল। মৰিয়াসকলে কাঁহ-পিতলৰ সামগ্ৰী তৈয়াৰ কৰাটোক পৰম্পৰাগত বৃত্তিৰূপে গ্ৰহণ কৰিছিল। হিন্দু ধৰ্মই আহোম ৰজাসকলৰ ওপৰত পেলোৱা প্ৰভাৱৰ ফলশ্ৰুতিত ৰাজ্যখনৰ বিভিন্ন স্থানত হিন্দু মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। এই প্ৰক্ৰিয়াৰ জৰিয়তে আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা জনজাতি তথা উভয় প্ৰকাৰৰে বাসিন্দাৰ মাজত সংহতি স্থাপন কৰিছিল। কালক্ৰমত বৌদ্ধিক দিশেৰে আগবঢ়া হিন্দু জনসমষ্টিটো একত্ৰিত হৈছিল। 'অন্তৰ্ভুক্তিকৰণ' নামৰ আন এক প্ৰক্ৰিয়াৰ আঁৰত অঞ্চলটোৰ বাসিন্দাৰ 'হিন্দুভৱন' ঘটোৱা হৈছিল। এই প্ৰক্ৰিয়াৰ ফলত এসময়ত আহোম ৰাজ্যৰ অধীনস্থ কছাৰী ৰাজ্যৰ দৰে 'হিন্দুভৱন' ঘটা বহুকেইখন ৰাজ্য আহোম ৰাজ্যৰ পৰা আঁতৰি গৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ কোন চনত গৌড়ৰ ৰজাই অসম আক্ৰমণ কৰিছিল?

প্ৰশ্ন নং ৩ ঃ কাৰ শাসন কালত হিন্দু ধৰ্মই ৰাজপ্ৰাসাদত স্থান পাইছিল?

৮.৪.২ জনজাতীয় আৰু বৈদেশিক সম্পৰ্ক

ৰাজনৈতিক অৱস্থাৰ অত্যাৱশ্যকতা অনুসৰি আহোম শাসকসকলে সীমান্তৱৰ্তী জনজাতিসকলৰ বাবে সময়সাপেক্ষ নীতি গ্ৰহণ কৰিছে। এনে নীতিৰ প্ৰচলন ঘটোৱাৰ প্ৰাৰম্ভিক সময়খিনিত এই 'গৰ্বিত বিজয়ী' জাতিটোৱে খুব মন্থৰ গতিত কিন্তু স্থিৰ উপায়েৰে নিৰ্দিষ্ট জনজাতিটোৰ অভ্যন্তৰত প্ৰৱেশ কৰিছিল। মাজে মাজে অৱশ্যে তেওঁলোকে বিভিন্ন ধৰণৰ বিদ্ৰোহাত্মক হিংসাৰ মুখামুখি হ'বলগীয়া হৈছিল। নগাসকলক ভীতিগ্ৰস্ত কৰিবলৈ চুকাফাই বহুতো নগাক হত্যা আৰু অগ্নিদগ্ধ কৰোৱাইছিল। কেৱল এয়াই নহয়, তেওঁ মৃতকৰ আত্মীয়সকলক মৃতকজনৰ মাংস খাবলৈ বাধ্য কৰাইছিল। বিদেশী আক্ৰমণবোৰৰ সময়ত চুবুৰীয়া জনজাতি তথা এনে সমাজৰ দলপতিসকলৰ মাজত সহায়-সহযোগিতা বৃদ্ধি পোৱাৰ অথবা চুবুৰীয়াৰ স্বাৰ্থত নিৰপেক্ষতা অৱলম্বন

কৰাৰ প্ৰয়োজন আছিল। প্ৰাৰম্ভিক কালছোৱাৰ আগ্ৰাসী নীতিৰ স্থানত সমিল-মিলৰ নীতিৰ প্ৰচলন ঘটা উচিত আছিল।

কিন্তু এই একেগৰাকী ৰজাই দক্ষিণ দিশে থকা ডফলাসকলক অসমৰ দৰং জিলাৰ কেইটামান নিৰ্দিষ্ট অঞ্চলৰ পৰা 'পোচা' নামৰ শুল্ক সংগ্ৰহৰ অধিকাৰ দিছিল। 'বহতীয়া' নামেৰে জনাজাত এই অসমীয়া পাইকসকলে পাহাৰীয়া জনজাতিটোক ব্যক্তিগত সেৱা-সামগ্ৰীৰ প্ৰয়োজন অনুসৰি সেৱা আগবঢ়াব লাগিছিল। কিন্তু আহোম ৰজা প্ৰতাপ সিংহই তেজপুৰৰ উত্তৰ দিশে ডফলাগড় নিৰ্মাণ কৰি পাহাৰীয়া জনজাতিটোৱে অসমীয়া ৰায়তৰ ওপৰত চলোৱা দমনমূলক কাৰ্য প্ৰতিহত কৰাৰ চেষ্টা চলাইছিল।

ৰুদ্ৰসিংহৰ শাসনকালত কছাৰী আৰু জয়ন্তীয়া ৰাজ্য পুনৰ আহোম ৰাজ্যৰ তলতীয়া হৈছিল। তেওঁ খাইৰাম আৰু খিৰিমৰ দৰে গুৰুত্বপূৰ্ণ খাচী ৰাজ্যৰ সৈতেও বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিছিল। ৰজা ৰুদ্ৰসিংহই ত্ৰিপুৰা ৰাজ্যৰ সৈতেও পোন প্ৰথমবাৰৰ বাবে কূটনৈতিক সম্পৰ্ক স্থাপন কৰিছিল। এয়া আছিল তেওঁৰ সমগ্ৰ বংগ আৰু পূৰ্ব ভাৰতত তেওঁৰ প্ৰভাৱ বৃদ্ধি কৰাৰ মানসেৰে আৰম্ভ কৰা অভিযানৰ আৰম্ভণি। ৰুদ্ৰ সিংহৰ বহল আঁচনিৰ অংশ আছিল মোগল আক্ৰমণকাৰীৰ বিৰুদ্ধে যুঁজা। কিন্তু ৰুদ্ৰসিংহ আছিল এগৰাকী চতুৰ কূটনীতিবিদ। তেওঁ এনেদৰে ত্ৰিপুৰাৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল যে সমগ্ৰ পৰিস্থিতিটোৱে ৰুদ্ৰসিংহৰ বন্ধুত্ব স্থাপনৰ আগ্ৰহ লুপ্ত কৰি ৰাখিছিল।

৮.৪.৩ বৃটিছ যুগ

আহোম ৰাজত্বৰ শেষৰ ফালে মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ দৰে অভ্যন্তৰীণ সংঘাত কিছুমান আৰম্ভ হ'ল। এই সংঘাতবোৰে আহোমৰ ৰাজনৈতিক ক্ষমতা বহু পৰিমাণে দুৰ্বল কৰি তুলিলে। ইয়াৰে সুবিধা লৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত প্ৰৱেশ কৰিছিল। ১৮২৬ চনৰ ২৬ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিত স্বাক্ষৰ কৰাৰ পাচত বৃটিছৰ অসম দখলে আনুষ্ঠানিক ৰূপ লয় আৰু অসম বংগ প্ৰেচিডেন্সীৰ অংশ হৈ পৰে। বৃটিছৰ শাসনকালক অসমত আধুনিক যুগৰ আৰম্ভণি বুলি কোৱা হয়। এই সন্ধিয়ে আহোম ৰাজ্যৰ ৰাজনৈতিক ক্ষমতাৰ ওৰ পেলাইছিল। আহোম ৰজাসকল সাৰ্বভৌম ক্ষমতা আৰু গৰিমাৰ পতন ঘটিছিল। সন্ধিৰ পাছত উত্তৰ-পূব ভাৰতৰ সকলোবোৰ জনজাতি তথা অ-জনজাতি দল বৃটিছ প্ৰশাসনৰ এক্তিয়াৰত অন্তৰ্ভুক্ত হৈছিল।

এই সময়ছোৱাত উত্তৰ-পূব ভাৰতৰ জনজাতি আৰু অ-জনজাতি দলবোৰৰ মাজত এক যান্ত্ৰিক আৰু আনুষ্ঠানিক প্ৰকৃতিৰ সম্পৰ্ক গঢ়ি উঠিছিল। আমি বৃটিছ শাসনে অসমৰ জনসংখ্যা গাঁথনিৰ পৰিৱৰ্তন সাধন কৰিছিল। বৃটিছসকলে ভাৰতৰ বিভিন্ন অংশৰ পৰা অঞ্চলটোলৈ বৃহৎ সংখ্যক বহিৰাগত লোকক আনিছিল। বৃটিছসকলে অসমত চাহখেতি আৰম্ভ কৰিছিল। চাহ উদ্যোগৰ বিকাশৰ লগে লগে তেওঁলোকে

ওড়িশা, ঝাৰখণ্ড, পশ্চিম বংগ আদিৰ পৰা শ্ৰমিক আনিছিল। বৃটিছসকলেই অসমলৈ ভাৰতৰ অন্য ৰাজ্যৰ পৰা সহযোগীৰ দল, মাৰোৱাৰী ব্যৱসায়ী, ইংৰাজী শিক্ষাৰে শিক্ষিত বাংলা কেৰাণী, চিকিৎসক আৰু উকীল লৈ আহিছিল। এই লোকসকলে অসমৰ ভৈয়াম এলেকাবোৰৰ লগতে নগা পাহাৰ, লুচাই পাহাৰ, গাৰো পাহাৰ, খাচী পাহাৰ আৰু জয়ন্তীয়া পাহাৰ অঞ্চলত থিতাপি লৈছিল। এনেকৈয়ে নতুনকৈ প্ৰব্ৰজন কৰা দলবোৰৰ বাবে অসমৰ জনসংখ্যাৰ সংৰচনা তথা সাম্প্ৰদায়িক সম্পৰ্কৰ ৰূপ সলনি হৈছিল।

৮.৪.৪ বহিৰাগত সম্প্ৰদায়ৰ সৈতে সম্পৰ্ক

বহিৰাগত সম্প্ৰদায় বুজোৱা ইংৰাজী শব্দ 'Immigrant Community' হ'ল এটা সমস্যা সৃষ্টিকাৰী অভিধা। কাৰণ, অন্য স্থানলৈ বসতিৰ বাবে অহা কোনো এক জনসমষ্টিৰ মাত্ৰ প্ৰথম প্ৰজন্মটোকহে বহিৰাগত বুলি ক'ব পৰা যায়। উত্তৰ-পূব ভাৰতৰ প্ৰধান বহিৰাগত সম্প্ৰদায়বোৰ হ'ল বাংলা মুছলমান, হিন্দু বাংলা, মাৰোৱাৰী, নেপালী আৰু চাহশ্ৰমিক সম্প্ৰদায়। একেখিনি সময়তে পঞ্জাবী শিখ সম্প্ৰদায়ৰ কিছু সংখ্যক লোকেও অসমলৈ প্ৰব্ৰজন কৰিছিল। পৰৱৰ্তী সময়ত এটা সম্প্ৰদায়ৰ ৰূপ লোৱা শিখসকল বৰ্তমান নগাওঁ আৰু গুৱাহাটী অঞ্চলৰ বাসিন্দা।

চাহ শ্ৰমিক সম্প্ৰদায়টো হ'ল অসমত থকা সৰ্ববৃহৎ আৰু সবাতোকৈ প্ৰথমে অহা আধুনিক যুগৰ বাহিৰাগত সম্প্ৰদায়। ঊনবিংশ শতিকাত অসমৰ চাহ বাগিচাবোৰত কাম কৰাৰ বাবে শ্ৰমিক সংগ্ৰহৰ কাম আৰম্ভ হৈছিল। এই প্ৰক্ৰিয়াটো ১৯৬০ চনলৈকে চলি আছিল। এই শ্ৰমিকসকলক মূলতঃ চন্থাল, মুণ্ডা, ওৰাং, খাৰিয়া, গোণ্ড, খোণ্ড আৰু কিচাং জনজাতিৰ পৰা সংগ্ৰহ কৰা হয়। এনেদৰে চাহ শ্ৰমিক হিচাপে অহা বহুতেই কালক্ৰমত অসমতে নিগাজিকৈ থাকিবলৈ ল'লে। চুক্তিৰ ম্যাদ শেষ হোৱাৰ পাচতো তেওঁলোক উভতি নগ'ল। চাহ শ্ৰমিকৰ কাম এৰি দিয়া একাংশই বাগানৰ ওচৰ-পাজৰে থকা মাটিত খেতি কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ শ্ৰমিক চুক্তিৰ শোষণ আৰম্ভ নোহোৱা পৰ্যন্ত এই ব্যৱস্থাটো চলি আছিল। অসমৰ চাহ শ্ৰমিক সম্প্ৰদায়ৰ মাজত বিভিন্ন ধৰণৰ ভাষিক উপাদান আছে। বৰ্তমান মাত্ৰ এমুঠিমান মানুহেহে নিজৰ পূৰ্বজসকলৰ ভাষা আৰু দোৱানত কথা পাতে। অধিকাংশ চাহ শ্ৰমিক সম্প্ৰদায়ৰ লোকে 'চাদ্ৰী' নাইবা 'বাগানীয়া ভাষা'ত কথা পাতে। তেওঁলোকৰ সম্প্ৰদায়টোত অসবৰ্ণ বিবাহৰ উদাহৰণ পোৱা যায়। সম্প্ৰদায়টোৰ কেইগৰাকীমান লোকে অসমীয়া সাহিত্য তথা সাংস্কৃতিক জগতলৈও উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ লগে লগে অসমলৈ হিন্দু বাংলাসকলৰ প্ৰব্ৰজন ঘটিছিল। ঐতিহাসিক তথ্যৰ পৰা গম পোৱা গৈছে যে হিন্দু বাংলা বহিৰাগতসকলে প্ৰধানকৈ নগৰ অঞ্চলত বসতি স্থাপন কৰিছিল আৰু চাকৰিয়ালৰ বৃত্তি গ্ৰহণ কৰিছিল। পূৰ্ব বংগৰ পৰা অহা মুছলমান কৃষক প্ৰব্ৰজনকাৰীৰ সমস্যাটোতকৈও আধুনিক

সময়ছোৱাৰ সবাতোকৈ দীৰ্ঘদিনীয়া উদ্বেগজনক বিষয়টো হ'ল কৰ্মসংস্থাপনৰ নাটনি। ঊনবিংশ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত বহিৰাগতৰ উপস্থিতি অসমৰ কাৰণে চিন্তাৰ উৎস হৈ পৰা নাছিল। বৃটিছ শাসিত ভাৰতৰ ৰাজধানী হিচাপে কলিকতা (ক'লকাতা) আছিল আধুনিকতাৰে প্ৰোজ্বল এক গতিশীলতাৰ কেন্দ্ৰ অসমীয়াসকলে লাহে লাহে বাংলা ভাষা, সংস্কৃতি আৰু জাক-জমক পোছাক পৰিচ্ছদৰ পৰিধান অনুসৰণ কৰিবলৈ ল'লে। অসমীয়া শিক্ষাৰ্থীয়ে কলিকতা অধ্যয়ন কৰিলে।

অসমত নিজৰ অস্তিত্ব প্ৰতীয়মান কৰা আন এটা বহিৰাগত সম্প্ৰদায় হ'ল 'মাৰোৱাৰী'সকল। ৰাজস্থানৰ এটা ব্যৱসায়ী সম্প্ৰদায়ক মাৰোৱাৰী বোলা হয়। তেওঁলোকে ঊনবিংশ শতিকাতে অসমৰ অৰ্থনীতিৰ অৱস্থান্তৰ ঘটোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ বাবেই অসমৰ মুদ্ৰা প্ৰচলনহীন অৰ্থনীতিয়ে এক বজাৰ অৰ্থনীতিৰ ৰূপ ধাৰণ কৰিছিল। বৃটিছৰ সৈতে অসমলৈ অহা ব্যৱসায়ী সম্প্ৰদায়টোৱে অসমৰ থলুৱা বেপাৰী শ্ৰেণীটোৰ সৈতে কোনো ধৰণৰ প্ৰতিযোগিতাত নামিবলগীয়া হোৱা নাছিল। সেয়েহে তেওঁলোকে অতি সোনকালেই ৰাজ্যখনৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখনত আধিপত্য প্ৰতিষ্ঠা কৰিছিল।

এইদৰেই বাহিৰাগত আগমন ঔপনিৱেশিক আগ্ৰাসনৰ এক ফলাফল হৈ পৰিছিল। বৃটিছ শাসিত ভাৰতৰ অংশ হোৱাৰ লগে লগে অসমক সৰ্ব-ভাৰতীয় অৰ্থনৈতিক পৰিসৰৰ অংশ হৈ পৰিল। ঔপনিৱেশিক নীতি নিৰ্ধাৰকসকলে অসমক এক ভূ-সীমা বুলি গণ্য কৰিছিল। তেওঁলোকে অসমত বহিৰাগতৰ আগমনক উৎসাহিত কৰিবলৈ অধিক পমুৰা বসতি স্থাপন আৰু বহিৰাগতৰ সুবিধা হোৱা কাৰ্যকলাপ আৰম্ভ কৰাটো প্ৰয়োজনীয় বুলি ভাবিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মাৰোৱাৰীসকলে কোন শতিকাত অসমত প্ৰবেশ কৰিছিল?

৮.৪.৫ নগা আৰু কুকিৰ মাজৰ সম্পৰ্ক ঃ বৃটিছ যুগ

নগা-কুকি সম্পৰ্কৰ বিষয়ে জনাৰ উৎস যথেষ্ট সীমিত। বৃটিছ শাসক আৰু খ্ৰীষ্টিয়ান মিশ্যনেৰীসকলৰ বাবেহে এই সম্প্ৰদায় দুটাৰ মাজৰ সম্পৰ্ক প্ৰকাশ কৰা বিভিন্ন উৎসৰ বিষয়ে জানিব পৰা গৈছে। নগা আৰু কুকিসকলে যেতিয়াই পৰস্পৰৰ বসতিবোৰৰ কথা গম পাইছিল তেতিয়াৰে পৰাই পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিছিল। বৃটিছৰ শাসন আৰু ধৰ্ম প্ৰচাৰৰ নামত খ্ৰীষ্টিয়ান যাজকসকলৰ নগা-কুকি অধ্যুষিত অঞ্চলবোৰলৈ অহা-যোৱা আৰম্ভ হোৱাৰ পাচত এই সম্পৰ্কৰ কথা পোহৰলৈ আহিছিল। বৃটিছ ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ আগতে মণিপুৰৰ ৰাজ ইতিহাস, আহোম বুৰঞ্জী

আৰু টেপেৰাহৰ ৰাজ ইতিহাসত নগা-কুকিৰ সম্বন্ধৰ উল্লেখ পঢ়িবলৈ পোৱা যায়। এই দুয়োটা নৃগোষ্ঠীয় দল মানুহৰ মূৰ চিকাৰ কৰাৰ অভ্যাস আৰু যুযুৎসু কার্যকলাপৰ বাবে জনাজাত আছিল। তেওঁলোকে যুদ্ধৰ অনুশীলনতে সীমাবদ্ধ নাথাকি বহিৰাগত, আন্তঃআঞ্চলিক, আন্তঃজনজাতি আৰু আন্তঃগাওঁভিত্তিক যুঁজ-বাগৰত লিপ্ত আছিল। অৱশ্যে সম্প্রদায় দুটাৰ মাজত যে শান্তিৰ বাতাবৰণ নাছিল সেয়াও নহয়।

বৃটিছ শাসনৰ আৰম্ভণি আৰু খ্রীষ্টিয়ান ধর্মৰ প্রসাৰ ঘটাৰ লগে লগে এনে ধৰণৰ হিংসা লাহে লাহে নাইকিয়া হৈছিল। সম্প্রদায় দুটাই নিজে হিংসাত্মক কার্যকলাপ কঠোৰভাৱে নিষিদ্ধ কৰিছিল। নিয়ম উলংঘাকাৰীক শাসন বিধি অনুসৰি কঠোৰ শাস্তি বিহা হৈছিল। এ. কে. ৰে'ৰ ভাষাত, ''দুয়োটা সম্প্রদায়ৰ মাজৰ পৰম্পৰাগত প্রতিদ্বন্দ্বিতামূলক সম্পর্কটো বৃটিছসকলে কাৰ্চাজি কৰি সলনি কৰিছিল। কথাটো তেওঁলোকে শান্তি স্থাপনৰ সীমান্ত কেন্দ্রিক নীতিৰ অধীনত সাঙুৰি লৈছিল। শান্তি স্থাপনৰ নামত তেওঁলোকে কুকিসকলক নগা আৰ লুচাইসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছিল।'' এনেবোৰ বর্ণনাৰ পৰা অনুমান কৰিব পৰা যায় যে মণিপুৰৰ ৰজা আৰু বৃটিছ শাসক উভয়েই এই জনজাতি সম্প্রদায়বোৰক পৰস্পৰ বিৰোধী কৰি তুলি নিজ স্বার্থ সিদ্ধি কৰিছিল। বৃটিছসকলৰ বাবে এই নীতি আছিল 'বিভাজিত কৰা আৰু শাসন কৰা''। বিংশ শতিকাৰ প্রথমার্দ্ধত নগা আৰু কুকিসকলে ঔপনিৱেশিক ক্ষমতাৰ বিৰুদ্ধে মাত মাতিছিল। এই বিদ্রোহ অধ্যয়ন কৰিয়েই নগা আৰু কুকিৰ মাজৰ সম্পর্ক অনুমান কৰিব পৰা যায়।

প্রাচীন কালত অঁৰিয়া-অঁৰিত লিপ্ত দুখন গাওঁ অথবা দুটা সম্প্রদায়ৰ মাজত শান্তি চুক্তি স্থাপন হৈছিল। জগৰীয়া গাওঁখন অথবা সম্প্রদায়টো অদৃশ্য শক্তিৰ ৰোষত পৰাৰ অথবা মান-মর্যাদা হেৰুওৱাৰ ভয়ত এনে চুক্তি স্থাপিত হৈছিল। পি. কে. থেখোই তেনি-ইমিয়া (নগা) সকলে কেনেদৰে শান্তি চুক্তি কৰিছিল সেয়া বর্ণনা কৰি লিখিছে—

- যুদ্ধ দীঘলীয়া হ'লে আৰু দুয়োটা পক্ষ ভাগৰুৱা হৈ পৰিলে শান্তি চুক্তিৰ প্রস্তাৱ আগবঢ়োৱা হৈছিল।
- দুখন গাওঁ নাইবা দুটা সম্প্রদায়ৰ মাজত চলা সংঘর্ষৰ ওৰ পৰাৰ পাচত পৰাজিত গাওঁ নাইবা সম্প্রদায়টোৱে শান্তিৰ প্রস্তাৱ আগবঢ়াইছিল। দুর্বল পক্ষটোৱে সবল পক্ষটোক যাঠি, সুৰা আৰু মাংস আগবঢ়াইছিল। যদি শক্তিশালী পক্ষটোৱে দুর্বল পক্ষৰ কোনো সদস্যক হত্যা কৰে, তেন্তে শক্তিশালী গাওঁখনক ধ্বংস কৰা হৈছিল।
- যুদ্ধত লিপ্ত গাওঁ নাইবা সম্প্রদায় দুটাৰ যদি শক্তি সমান হয়, তেন্তে শান্তি চুক্তি স্থাপন হোৱাৰ পাচত দুয়ো পক্ষই যাঠি, সুৰা আৰু মাংস বিনিয়ম কৰিছিল। তেওঁলোকে সমূহীয়াকৈ ভোজ-ভাত খাই শত্রুতাৰ অৱসান ঘটাইছিল।

এইবাৰ আমি নগা নেশ্যনেল কাউন্সিল মুভমেণ্টৰ সৈতে থকা সম্পর্কৰ ভিত্তিত নগা আৰু কুকিসকলৰ মাজৰ সম্পর্কটো বুজাৰ প্রয়াস কৰোঁ আহকচোন। ১৯১৮ চনত

নগা পাহাৰত অৱস্থিত নগা ক্লাবত এই সংগঠনটোৰ বীজ অংকুৰিত হৈছিল। ই আছিল নগাসকলৰ প্ৰথমটো আনুষ্ঠানিক সংগঠন। ইয়াৰ জৰিয়তে নগা আৰু কুকিসকলে পোন প্ৰথমবাৰৰ বাবে ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে মাত মাতিছিল। নগা পাহাৰ এলেকাত বসবাস কৰি থকা বিভিন্ন নগা জনজাতি সম্প্ৰদায়ৰ লগতে কুকি প্ৰতিনিধি এই নগা ক্লাবৰ সদস্য আছিল। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে সংগঠনটোৰ উত্থান আৰু বিকাশত কুকিসকলৰো যথেষ্ট অৱদান আছে। ১৯২৯ চনৰ ১০ জানুৱাৰীত নগা ক্লাবৰ সঁজাতি দল এটাই 'চাইমন কমিছন'ৰ নেতা ছাৰ জ'ন চাইমনৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। স্মাৰক পত্ৰত নাগাসকলক ঔপনিৱেশিক শাসনৰ পৰা বাদ দি নিজৰ ভৱিষ্যৎ নিজে নিৰ্ণয় কৰাৰ সুযোগ দিয়াৰ কথা কোৱা হৈছিল। ২০ জনীয় সঁজাতি দলটোৰ এগৰাকী সদস্য আছিল শ্বিৰ লেংজাং কুকি। এই প্ৰথমটো নগা ৰাজনৈতিক সংগঠনৰ প্ৰথম কুকি সদস্য দুগৰাকী আছিল শ্বেইখোহেন কুকি আৰু জাংখোচেই কুকি। তেওঁলোক সংগঠনটোৰ পূৰ্ণকালীন সদস্য আছিল। পৰৱৰ্তী সময়ত কুকি নেশ্যনেল এচেম্ব্লী (KNA)ৰ জন্ম হ'ল আৰু বিভিন্ন দাবীক কেন্দ্ৰ কৰি নগা আৰু একাংশ কুকিৰ মাজত মনোমালিন্যৰ সৃষ্টি হ'ল। তথাপিও আন একাংশ কুকিয়ে নগা সাৰ্বভৌমত্বৰ বাবে সদায় নগাসকলৰ সৈতে কাম কৰি গ'ল। কুকিসকলে আত্মগোপনকাৰী নগা সংগঠনৰ লগ লাগিছিল। এসময়ত NNC-এ ইয়াৰ সশস্ত্ৰ খাখা ফেডাৱেল গভৰ্মেণ্ট অৱ নাগালেণ্ড (FGN)ৰ জন্ম দিছিল।

৮.৪.৬ উত্তৰ-ঔপনিৱেশিক যুগ

ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাখন দেশ বিভাজনৰ বিনিময়ত বৃটিছৰ পৰা স্বাধীনতা লাভ কৰিছিল। দেশ বিভাজনৰ বাবে ভাৰতৰ চাৰিসীমা আৰু অঞ্চলবোৰৰ নতুন মানচিত্ৰ তৈয়াৰ কৰিবলগীয়া হৈছিল। স্বাধীনতাৰ পাচত অসমত আধুনিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ৰাজ্যখনৰ নগৰ আৰু গ্ৰামাঞ্চলবোৰত বিভিন্ন ধৰণৰ সামূহিক উন্নয়ন কাৰ্যসূচী, পঞ্চায়তী ৰাজ অনুষ্ঠান, শিক্ষা কেন্দ্ৰ নিৰ্মাণ আদি কাম আৰম্ভ হৈছিল। উত্তৰ-পূবৰ বাসিন্দাসকলৰ ভাৰতৰ অন্য অঞ্চলৰ লোকৰ সৈতে সম্পৰ্ক স্থাপন হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ লোকে ৰাজনীতিত অংশগ্ৰহণ কৰাৰ সুযোগো লাভ কৰিছিল। উত্তৰ-পূব ভাৰতত নগৰীকৰণ প্ৰক্ৰিয়াৰো আৰম্ভণি হৈছিল। এই প্ৰক্ৰিয়াই কালক্ৰমত অঞ্চলটোৰ সামাজিক সংৰচনা, জীৱন শৈলী আৰু জীৱন যাপনৰ পন্থা সলনি কৰিছিল।

ঔপনিৱেশিক শাসনৰ ওৰ পৰাৰ ঠিক পাচতেই হোৱা দেশ বিভাজনৰ ফলত ভাৰতৰ চিলেট জিলাখন পাকিস্তানৰ অংশ হৈ পৰিছিল। লগে লগে পূৰ্ব বংগৰ হিন্দু বাঙালীসকলে অসমলৈ ঢাপলি মেলিছিল। এইছ শ্ৰীকান্তৰ মতে, "অসমে দেশ বিভাজনৰ অভিঘাত (Trauma) সহিবলগীয়া হৈছিল। অসমীয়া নেতাসকলে দেশ বিভাজনক এক আশীৰ্বাদ বুলি গণ্য কৰিছিল আৰু ভাবিছিল যে বিভাজনৰ পাচত এই

বহিৰাগতৰ প্ৰব্ৰজন বন্ধ হ'ব।

৮.৫ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলবাসীৰ মাজৰ আন্তঃসাম্প্ৰদায়িক সম্পৰ্কবোৰৰ পৰিৱৰ্তনশীল প্ৰকৃতি

উত্তৰ-পূব ভাৰতৰ খিলঞ্জীয়া জনজাতিবোৰৰ মূলতঃ তিব্বত-বৰ্মীয় আৰু মংগোলীয় জাতিৰ সৈতে ঐতিহাসিক সম্পৰ্ক আছে। অঞ্চলটোৰ জনজাতি সম্প্ৰদায়বোৰৰ দক্ষিণ এচিয়াৰ দেশবোৰতকৈ দক্ষিণ-পূব এচিয়াৰ দেশবোৰৰ সৈতে যথেষ্ট সাদৃশ্য আছে। ভাষিক,সাংস্কৃতিক আৰু নৃগোষ্ঠীয় দিশেৰে ভাৰতৰ অন্য ৰাজ্যবোৰতকৈ উত্তৰ-পূৰ্বাঞ্চল পৃথক। এই অঞ্চলটোৰ বাসিন্দাসকলৰ মাজৰ পৰিৱৰ্তনশীল আন্তঃ সাম্প্ৰদায়িক সম্পৰ্কবোৰৰ প্ৰকৃতি বুজিবলৈ আমি নৃগোষ্ঠীয় দিশেৰে গুৰুত্বপূৰ্ণ বহুকেইটা উপাদানৰ বিষয়ে আলোচনা কৰিব লাগিব। পৰিচয়ৰ সংকট, ভাষিক সংঘাত, কৰ্মসংস্থাপন লাভৰ সুবিধা, জাতীয় সমস্যা, অসমীয়া ভাষী লোকসকল (General Assamese)ৰ মনোভাৱ, অধিক উন্নত প্ৰসাসনীয় প্ৰক্ৰিয়া আদি উপাদানৰ দিশেৰে চালিজাৰি চালে এই পৰিৱৰ্তন ধৰা পেলাব পৰা যাব।

উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ মাজৰ সম্পৰ্ক সলনি হোৱাৰ এটা প্ৰধান কাৰণ হ'ল নৃগোষ্ঠীয় পৰিচয়। প্ৰধানতঃ নৃগোষ্ঠীয় পৰিচয় আধাৰতে বহুতো জনজাতি সম্প্ৰদায়ে পৃথক ৰাজ্যৰ বাবে দাবী জনাই আহিছে। বিভিন্ন নৃগোষ্ঠীয় দিশ বিবেচনা কৰি তাৰ ভিত্তিত গঠন কৰা ৰাজ্যখনত নৃগোষ্ঠীয় পৰিচয়ক লৈ কোনো শংকা নাথাকিব। এই ধাৰণাৰ আধাৰতে মিজোসকলৰ বাবে মিজোৰাম; খাচী, জয়ন্তীয়া আৰু গাৰোসকলৰ বাবে মেঘালয়; নগাসকলৰ বাবে নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ আন এটা জটিল আৰু সংবেদনশীল সমস্যা হ'ল ভাষা। স্বাধীনতাৰ পচত অসমীয়া ভাষী লোকসকলে অসমীয়াক অসমৰ ৰাজ্যভাষা কৰিব বিচাৰিছিল। এই কথাটোক অঞ্চলটোৰ বহুতো নৃগোষ্ঠীয় সম্প্ৰদায়ে এক বলপূৰ্বকভাৱে জাপি দিয়া কথা বুলি গণ্য কৰিছিল। খিলঞ্জীয়া জনজাতি সম্প্ৰদায়বোৰৰ লগতে অন্য অনা-অসমীয়া ভাষী সম্প্ৰদায়বোৰে এই কথাৰ বিৰোধিতা কৰিছিল। ইয়াৰ ফলস্বৰূপে অসমীয়া ভাষী লোকসকলৰ সৈতে এই সম্প্ৰদায়বোৰৰ তিক্ত সংঘাত আৰম্ভ হৈছিল। উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ মাজত অতীজৰে পৰা বৰ্তি থকা সুসম্পৰ্কৰ ৰূপান্তৰ ঘটাত অসমীয়া ভাষী লোকৰ এই আধিপত্যবাদী ভাষিক হেঁচাই এক প্ৰধান ভূমিকা লৈছিল।

স্বাধীনতাৰ পাচত অঞ্চলটোত দেখা দিয়া নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ সংঘাতৰ ফলতেই কেইবাখনো পৃথক ৰাজ্যৰ দাবীত নানা আন্দোলনৰ সূচনা হৈছিল। নাগালেণ্ডৰ NSCN সংগঠনে পৃথক নাগালিম ৰাজ্য বিচাৰিছে, অসমৰ ULFA-ই পৃথক স্বাধীন দেশ বিচাৰিছে, AKRASU-ই পৃথক কমতাপুৰ ৰাজ্য বিচাৰিছে, ABSU আৰু NDFB-এ পৃথক বড়োলেণ্ড ৰাজ্য বিচাৰিছে, KLNLF (পূৰ্বৰ UPDA) এ পৃথক কৰ্বি আংলং আৰু ডিমালেণ্ড বিচাৰিছে। আনকি মেঘালয়তো পৃথক গাৰোলেণ্ডৰ দাবী উত্থাপিত হৈছে। অৱশ্যে এই দাবীবোৰ বৰ্তমান মূহুৰ্তলৈকে বাস্তৱত

পৰিণত হোৱা নাই। নতুন চৰকাৰ ক্ষমতাসীন হ'লেই অধিক স্ব-নিয়ন্ত্রণ বিচৰা দল- সংগঠনবোৰে তেওঁলোকৰ ধৰ্ণা, আন্দোলন, ধৰ্মঘট আদিৰ দৰে কার্যসূচীবোৰ সক্রিয় কৰি তুলি চৰকাৰৰ ওপৰত হেঁচা প্রয়োগ কৰে।

৮.৬ উত্তৰ-পূৰ্ব ভাৰতৰ নৃগোষ্ঠীয় সংঘাত

সংঘৰাষ্ট্রীয় গাঁথনি নীতি অনুসৰণ কৰা দেশ এখনৰ ৰাজ্যবোৰৰ আধাৰ হ'ল ক্ষমতাৰ বিকেন্দ্রীকৰণ। ভাৰত এখন সংঘৰাষ্ট্রীয় গাঁথনি থকা কিন্তু অখণ্ড সত্তাৰ দেশ। স্বাধীনতাৰ পাচত ভাৰতীয় সংবিধান প্রণেতাসকল ভাৰতৰ অখণ্ডতাক প্রভাৱিত কৰিব পৰা কাৰকবোৰক লৈ উদ্বিগ্ন হৈ পৰিছিল। সেয়েহে সংবিধানত দেশৰ অখণ্ড অৱস্থা অক্ষুণ্ণ ৰখাৰ এনে কিছুমান বৈশিষ্ট্য সন্নিৱিষ্ট কৰা হৈছে- যিবোৰৰ ভিত্তিত বিচ্ছিন্নতাবাদী প্রৱণতা ৰোধ কৰিব পৰা যায়। ইয়াৰ ফলত কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বটোৱাৰা কৰাৰ এক মিশ্রিত আৰ্হিৰ উত্থান ঘটিছিল। এই এটা কাৰণতে ক্ষমতাৰ ভাগ-বটোৱাৰাক লৈ ভাৰতত প্রায়েই এক উদ্বেগ বিৰাজমান হৈ থাকে। উত্তৰ-পূব ভাৰতত সাংস্কৃতিক আৰু ভৌগোলিক ভিন্নতাৰ বাবেও সাম্প্রদায়িক সংঘাতৰ সৃষ্টি হয়। ক্ষুদ্র ৰাজ্য গঠনৰ দাবীটো ভাৰতীয় ৰাজনীতিৰ এক এৰাব নোৱাৰা সমস্যা হৈ পৰিছে। কেৱল অসম প্রদেশ বুলি স্বীকৃতিপ্রাপ্ত তথা চিহ্নিত এই উত্তৰ-পূৰ্বাঞ্চলক ৰাজ্য পুনৰগঠন প্রক্রিয়াৰ নামত সাতখন ৰাজ্যত বিভক্ত কৰা হৈছে। ১৯১২ চনলৈকে অঞ্চলটোত পূৰ্বতে মাত্র চাৰিটা সংমণ্ডল আছিল- অসম প্রদেশ, ৰজা শাসিত মণিপুৰ, ৰজাশাসিত ত্রিপুৰা আৰু নর্থ ইষ্ট ফ্রণ্টিয়াৰ অঞ্চল (NEFA)

উত্তৰ-পূব ভাৰতৰ হিংসাত্মক সংঘাত হ'ল এক সর্বাত্মক পৰিঘটনা। ই ভাৰতৰ চাৰিসীমা আৰু সার্বভৌমত্বক প্রভাৱিত কৰাৰ লগতে অঞ্চলটোত বাস কৰা বিভিন্ন লোকৰ জীৱনো বিপদাপন্ন কৰি তুলিছে।

৮.৬.১ চৰকাৰৰ আঁচনিসমূহ

ভাৰত চৰকাৰে অতীতৰ পৰা এতিয়ালৈকে চলাই থকা ৰাষ্ট্রীয় সংহতি, ৰাষ্ট্র নির্মাণ আৰু গণতান্ত্রিক সুদৃঢ়কৰণ প্রক্রিয়াবোৰে উত্তৰ-পূব ভাৰতৰ সংঘাতময় পৰিস্থিতিৰ অৱনতিহে ঘটাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যত প্রায় চল্লিশ নিযুত লোকে বাস কৰে। ভাষা, জাতি, জনগোষ্ঠী, জীৰিকা ভিত্তিক উপ-জাতি, ধৰ্ম আৰু আঞ্চলিক ঐতিহ্যৰ দিশেৰে অঞ্চলটোৰ লোকসকলৰ সুকীয়া সুকীয়া বৈশিষ্ট্য আছে। সেয়েহে এই আটাইকেইখন ৰাজ্যকে 'উত্তৰ-পূব' ভাৰত বুলি অভিহিত কৰা কার্যটোক প্রায়েই গোটেই অঞ্চলটোত 'সমগোত্রীয়কৰণ' প্রক্রিয়া চলোৱাৰ প্রৱণতা বুলি ভবা হয়। সকলো অঞ্চলৰ বাবে একেই নীতি যুগুত তথা প্রণয়ন কৰাটোকো এক ধৰণৰ সমস্যা বুলিব পাৰি। কেন্দ্রীয় চৰকাৰেও অঞ্চলটোৰ বাবে উপযুক্ত ৰাজনৈতিক তথা প্রশাসনীয় ব্যৱস্থাপনা যুগুত কৰাত সদিচ্ছাৰ অভাৱ প্রদর্শন কৰি আহিছে। অঞ্চলটোত সক্রিয় হৈ

থকা AFSPA (সশস্ত্র বাহিনী বিশেষ ক্ষমতা আইন)খনেও সংঘাত নির্মূলৰ বাবে যথোপযুক্ত ৰাজনৈতিক ব্যৱস্থা গ্রহণৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ অসমর্থতা আৰু আগ্রহহীনতাক লৈ বিভিন্ন মহলৰ মাজত সময়ে সময়ে বিতর্ক চলি আহিছে। ১৯৫৮ চনৰ ১৮ আগষ্টত নগা পাহাৰত আৰম্ভ হোৱা বিচ্ছিন্নতাবাদী সশস্ত্র আন্দোলন প্রতিহত কৰাৰ উদ্দেশ্যেৰে অঞ্চলটোত ভাৰতীয় সামৰিক বাহিনীৰ ঘাটি স্থাপনত সহায়ক হোৱাকৈ হুস্বম্যাদী ব্যৱস্থা হিচাপে AFSPA গৃহীত কৰা হৈছিল। ই আছিল নগা নেশ্যনেলিষ্ট কাউন্সিলে স্ব-নিয়ন্ত্রণৰ অধিকাৰ বিচৰা নগা অধ্যুষিত এলেকাবোৰক নিয়ন্ত্রণাধীন কৰি ৰখাৰ উদ্দেশ্যেৰে কেন্দ্রীয় চৰকাৰে গৃহিত কৰা আইন-বিধি সমষ্টিটোৰ এটা অংশ। এই আইনখনে আন্তর্জাতিক মানৰ অধিকাৰ আইনৰ বহুকেইটা অধিকাৰ উলংঘন কৰে। ইয়াৰ ভিতৰত আছে জীৱনৰ অধিকাৰ, বলপূর্বক গ্রেপ্তাৰ আৰু বন্দীত্বৰ পৰা নিজকে সুৰক্ষিত ৰখাৰ অধিকাৰ, শাৰীৰিক অত্যাচাৰ আৰু নিষ্ঠুৰ আচৰণৰ পৰা মুক্ত হোৱাৰ অধিকাৰ ইত্যাদি।

অঞ্চলটোত চলি থকা বিভিন্ন সংঘাতৰ আকৌ জটিল ৰাজনৈতিক আৰু অর্থনৈতিক সমস্যাৰ সৈতে মিলন ঘটিছে। এনে সমস্যা কেইটামান হ'ল প্রাকৃতিক সম্পদক লৈ চলা সংঘর্ষ, অবৈধ প্রব্রজনকাৰীৰ সমস্যা, বসতি উচ্ছেদকৰণৰ পিছত উদ্ভৱ হোৱা স্থানান্তৰৰ সমস্যা, সামাজিক বহিষ্কাৰ ইত্যাদি। ড^{0} ক্লিমেন্স স্পাইচৰ ভাষাত, " উত্তৰ-পূব ভাৰতৰ পৰিচয়ৰ ৰাজনীতিটো অঞ্চলটোৰ সাম্প্রতিক সংঘাত সমষ্টিটোৰ সর্ববৃহৎ অংশটোৰ কেন্দ্রবিন্দু।"

৮.৬.২ উল্লেখযোগ্য বৈদেশিক নীতি

১৯৯১ চনত ভাৰতত আৰম্ভ হোৱা অর্থনৈতিক উদাৰীকৰণৰ এক অংশ হিচাপে 'পূবলৈ চাওক নীতি' (Look East Policy) যুগুত কৰা হৈছিল। ই আছিল দক্ষিণ-পূব এচিয়াৰ দিশত আৰম্ভ কৰা এটা বৈদেশিক অর্থনৈতিক নীতি। উত্তৰ-পূব ভাৰত ভৌগোলিক অৱস্থানৰ দিশেৰে ভাৰতৰ মূল ভূ-খণ্ড আৰু দক্ষিণ এচিয়াৰ মাজত অৱস্থিত। এই অঞ্চলটো বৈচিত্র্যময় প্রাকৃতিক সম্পদ, জৈৱ-বৈচিত্র্য আৰু প্রচুৰ জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনাৰে চহকী। এই বোৰক কামত লগাব পাৰিলে অঞ্চলটোৰ বাসিন্দাসকলৰ মনত থকা অনগ্রসৰতাৰ ভাৱনাটো আঁতৰাব পৰা যাব। কিন্তু উত্তৰ-পূব ভাৰতৰ পৰম্পৰাগত সমাজবোৰত বজাৰ ব্যৱস্থাৰ প্রচলন বৃদ্ধি পালে সংস্কৃতি আৰু জীৱন সংকটাপন্ন হ'ব বুলি এচামে প্রদর্শন কৰা যুক্তিৰ শক্তি বৃদ্ধি পাইছে। এই ব্যৱস্থাই অঞ্চলটোত নানা ধৰণৰ বিৰূপ প্রভাৱ পেলোৱাৰ লগতে মূল ভাৰত ভূ-খণ্ডৰ পৰা উত্তৰ-পূব ভাৰতলৈ বসতি স্থাপন কৰিবলৈ অহা মানুহৰ সংখ্যা যথেষ্ট বঢ়াৰ ফলত অন্য সমস্যায়ো মূৰ দাঙি উঠিব।



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এটা বিশ্লেষণাত্মক শিতানত অন্তর্ভুক্ত কৰি এক বিশেষ জনসমষ্টিৰ অধ্যয়ন কৰাৰ কামটো আগুৱাই নিবলৈ 'নৃগোষ্ঠীবাদ' অভিধাটোৰ প্রচলন ঘটিছিল। কোনো এখন ৰাষ্ট্র বা ৰাজ্যৰ আধিপত্য থকা সংখ্যাগৰিষ্ঠ জনসমষ্টিটোতকৈ সাংস্কৃতিকভাৱে পৃথক মানৰ গোটবোৰৰ দাবী ক্রমে বৃদ্ধি পোৱা বাবেই অভিধাটোৰ গুৰুত্বও বাঢ়ি গৈছে।
- নৃগোষ্ঠীবাদ সামাজিকভাৱে নির্মিত হয়। বিষয়নিষ্ঠভাৱে ইয়াৰ সংজ্ঞা দাঙি ধৰাৰ সময়ত ইয়াক এটা দলৰ বংশ, সাংস্কৃতিক ৰীতি-নীতি, ভাষা, ধর্ম, জাতীয় পৰিচয়, স্বজনৰ নেটৱর্'ক আৰু শাৰীৰিক অবয়বৰ সৈতে জড়িত দিশবোৰৰ এক সংমিশ্রণ বুলি কোৱা হয়।
- উত্তৰ-পূব ভাৰতে সদৌ ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়বোৰ অধিক বাৰে-ৰহণীয়া কৰি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। বৃটিছে অসমত পদার্পন কৰাৰ আগৰে পৰা উত্তৰ-পূব অঞ্চলৰ নৃগোষ্ঠীয় বাসিন্দাসকলে শান্তিপূর্ণভাৱে সহাৱস্থান কৰি আছিল আৰু কালক্রমত সম্প্রদায়বোৰৰ পৰস্পৰৰ মাজত লীনভৱন ঘটিছিল।
- বৃটিছ শাসন আৰু খ্রীষ্টিয়ান ধর্মৰ প্রচাৰ আৰম্ভ হোৱাৰ পাচতহে নগা আৰু কুকি সম্প্রদায়ৰ মাজৰ সম্পর্কৰ বিষয়ে জানিব পৰা গৈছিল।
- উত্তৰ-পূব ভাৰতত সাংস্কৃতিক তথা ভৌগোলিক ভিন্নতাৰ বাবে সাম্প্রদায়িক সংঘাতৰ সৃষ্টি হৈ আহিছে। ক্ষুদ্র ৰাজ্য গঠনৰ দাবীটোৱে সেয়েহে ভাৰতীয় ৰাজনীতিত এটা গুৰুতৰ সমস্যাৰ ৰূপ ধাৰণ কৰিছে।



৮.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

Barpujari H.K. (1992) The Comprehensive History of Assam, Publication Board Assam, Vol.2; Guwahati.

Baruah Sanjib (1999) Indian Against Itself, Oxford University Press, New Delhi.

Fenton, Steve (2003) Ethnicity, Polity; Cambridge.

Gohain U.N. (1942) Assam Under the Ahoms, D.K. fine Art Press; Delhi.

Sengupta Sarthak (ed.2002) Tribal Studies in North East India, Mittal publications; New Delhi.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইট্‌চ্ছিচন আৰু স্মিথ।

২ নং প্রশ্নৰ উত্তৰ ঃ 1532

৩ নং প্রশ্নৰ উত্তৰ ঃ চুডাংফাৰ শাসন কালত।

৪ নং প্রশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাত।



৮.১০ আৰ্হি প্রশ্ন

ক) **চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)**

প্রশ্ন নং ১ ঃ নৃগোষ্ঠীবাদৰ অর্থ কি ?

প্রশ্ন নং ২ ঃ নৃগোষ্ঠীয় দল / গোট বুলিলে কি বুজে ?

প্রশ্ন নং ৩ ঃ নৃগোষ্ঠীয় পৰিচয় মানে কি ?

প্রশ্ন নং ৪ ঃ আহোম যুগত আন্তঃসম্প্রদায় সম্পর্কবোৰ কেনে ধৰণৰ আছিল ?

প্রশ্ন নং ৫ ঃ বৃটিছৰ যুগত আন্তঃসম্প্রদায় সম্পর্কবোৰ কেনে ধৰণৰ আছিল ?

খ) **দীঘল প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)**

প্রশ্ন নং ৬ ঃ স্বাধীনতাৰ পাচত উত্তৰ-পূব ভাৰতৰ আন্তঃসম্প্রদায় সম্পর্কবোৰে কেনে ৰূপ ধাৰণ কৰিছিল ?

প্রশ্ন নং ৭ ঃ অসমৰ নৃগোষ্ঠীয় সংঘাতৰ সমস্যাটো আলোচনা কৰক।

****